# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-MAR-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। বিধানসভা নিৰ্বাচনলৈ মাজত ১১ দিন বাকী থকা অৱস্থাত বিজেপি আৰু কংগ্ৰেছকে ধৰি অন্যান্য ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তীব্ৰ।

২। নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে জিলা প্ৰশাসনৰ ভোটগ্ৰহণ নিয়াৰিকৈ অনুষ্ঠিত কৰিবলৈ ব্যাপক প্ৰস্তুতি।

৩। পশ্চিম এছিয়াৰ সাম্প্ৰতিক যুদ্ধ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত দেশত সম্ভাব্য প্ৰভাৱ ৰোধৰ বাবে ৰাজ্যসমূহক যোগান শৃংখলা নিয়াৰিকৈ চলি থকাটো সুনিশ্চিত কৰিবলৈ প্ৰধানমন্ত্ৰীৰ আহ্বান।

৪। সত্ৰীয়া পাঠ্যক্ৰমৰ বিদ্যায়তনিক কৰ্ম সম্পাদনৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু যোৰহাট কৃষি বিশ্ববিদ্যালয়ৰ মাজত বুজাবুজিৰ চুক্তি। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ উদ্বোধনী খেলত আজি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ।

oooooo

বিধানসভা নিৰ্বাচনলৈ মাজত ১১ দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰ হৈ উঠিছে। শাসনত থকা বিজেপি আৰু প্ৰধান বিৰোধী দল কংগ্ৰেছৰ লগতে অন্যান্য ৰাজনৈতিক দলসমূহৰ প্ৰাৰ্থী-নেতাসকলে ভোটদাতাৰ মন আকৰ্ষণ কৰাৰ বাবে চেষ্টা চলাইছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি আৰু কাইলৈ ৰাজ্যখনত প্ৰচাৰ চলাব। গৃহমন্ত্ৰীগৰাকীয়ে আজি বিয়লি গুৱাহাটীত ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। তেওঁ মধ্য গুৱাহাটীৰ প্ৰাৰ্থী বিজয় গুপ্তাৰ হৈ প্ৰচাৰ চলাব। শ্ৰী শ্বাহে লগতে টিহু সমষ্টিৰ চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত এখন জনসভাত অংশ ল'ব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি বিহপুৰীয়া সমষ্টিৰ বিজেপি প্ৰাৰ্থী ভূপেন বৰাৰ হৈ প্ৰচাৰ চলায়। তেওঁ ৰঙানদী, ঢকুৱাখনা আৰু নাওবৈচা সমষ্টিৰো প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। ঢকুৱাখনা সমষ্টিৰ এন ডি এ প্ৰাৰ্থী নৱ কুমাৰ দলে আৰু ৰঙানদীৰ প্ৰাৰ্থী ঋষিৰাজ হাজৰিকাৰ সমৰ্থনত ডঃ শৰ্মাই প্ৰচাৰ চলায়। লখিমপুৰত বিজেপি নেতাগৰাকীয়ে এটা ৰোড শ্ব'ত ভাগ লয়। দলৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি শিলচৰত মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। জিলাখনৰ শিলচৰ আৰু বৰখলা সমষ্টিত শ্ৰীসোণোৱালে বিজয় সংকল্প সভাত অংশ লয়। শিলচৰৰ স্প'ৰ্টিং ফিল্ড আৰু বৰখলাৰ ডলু চাহ বাগিচাত আয়োজিত এই সমাৱেশত শ্ৰীসোণোৱালে সমষ্টি দুটাৰ প্ৰাৰ্থী ডাঃ ৰাজদীপ ৰায় আৰু কিশোৰ নাথৰ সমৰ্থনত ভোট বিচাৰে।

বঙাইগাঁৱত কালি অসম গণ পৰিষদৰ সভাপতি তথা মন্ত্ৰী অতুল বৰা আৰু কাৰ্যকৰী সভাপতি কেশৱ মহন্তই মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীৰ হৈ প্ৰচাৰ চলায়। শ্ৰী বৰাই বঙাইগাঁৱৰ উন্নয়নৰ স্বাৰ্থত দলীয় প্ৰাৰ্থীগৰাকীক ভোট দি জয়ী কৰিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায়।

**ৰাইট**

বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তুলিৰাম ৰংহাঙেও কালি বোকাজানত প্ৰচাৰ চলায়। বিশ্বনাথ সমষ্টিৰ বিজেপি প্ৰাৰ্থী পল্লৱ লোচন দাস, ৰঙিয়াত ভৱেশ কলিতা আৰু শিৱসাগৰত কুশল দুৱৰীয়েও প্ৰচাৰ চলায়।

কংগ্ৰেছ আৰু বিৰোধী মিত্ৰদলসমূহৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলেও ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰচাৰ চলাই আছে। কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কাইলৈ লখিমপুৰত প্ৰচাৰ অভিযান চলাব। দলৰ ৰাজ্যিক সভাপতি গৌৰৱ গগৈয়ে মাহমৰা সমষ্টিত বিৰোধী ঐক্যৰ প্ৰাৰ্থী জ্ঞানদীপ মোহনৰ হৈ প্ৰচাৰ কাৰ্যসূচীত অংশ লয়। দলৰ নেতা ৰিপুণ বৰাই শোণিতপুৰ জিলাৰ জীয়াগাভৰুত নিৰ্বাচনী কাৰ্য্যালয় উদ্বোধন কৰাৰ লগতে প্ৰচাৰ কাৰ্য্যসূচীতো অংশ লয়। অসম জাতীয় পৰিষদৰ নেতা লুৰিণজ্যোতি গগৈয়েও খোৱাং সমষ্টিৰ লগতে অন্যান্য স্থানত প্ৰচাৰ অব্যাহত ৰাখিছে।

উল্লেখযোগ্য যে, বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১, ৫ আৰু ৬ এপ্ৰিলত অসমত প্ৰচাৰ চলাব। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনো ২৯ আৰু ৩০ মাৰ্চত প্ৰচাৰ চলাবলৈ অসমলৈ আহিব।

০০০০০০

ৰাজ্যত বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন জিলা প্ৰশাসনে নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰিবলৈ ব্যাপক প্ৰস্তুতি চলাইছে। জিলাই জিলাই প্ৰিজাইদিং আৰু প’লিং বিষয়াসকলৰ প্ৰশিক্ষণ চলি থকাৰ লগতে বিভিন্ন সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত হৈছে।

**যোৰহাট** চন্দ্ৰকমল বেজবৰুৱা বাণিজ্য মহাবিদ্যালয়ত কালি ই ভি এম আৰু ভি ভি পেট পৰিচালনা কৰা সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদান কৰা হয়। জিলা আয়ুক্ত জয় শিৱানী আৰু সহকাৰী আয়ুক্তৰ উপস্থিতিত আয়োজিত এই প্ৰশিক্ষণ কাৰ্যসূচীত মূল প্ৰশিক্ষকসকলে দ্বিতীয় আৰু তৃতীয় ভোটগ্ৰহণ বিষয়াসকলক ই ভি এমৰ কাৰিকৰী দিশসমূহৰ বিষয়ে অৱগত কৰে।

নিৰ্বাচনী আয়োগে নিযুক্তি দিয়া বিশেষ অৱসৰপ্ৰাপ্ত  প্ৰশাসনিক সেৱা বিষয়া মনজিৎ সিঙে কালি **ডিব্ৰুগড়** জিলা আয়ুক্তৰ  কাৰ্যালয়ত নিৰ্বাচনৰ প্ৰস্তুতি আৰু ব্যৱস্থাপনাৰ বিভিন্ন দিশ সন্দৰ্ভত পৰ্যালোচনা কৰে। শ্ৰী সিঙে জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া বিক্ৰম কৈৰী, জ্যেষ্ঠ আৰক্ষী অধীক্ষক গৌৰৱ অভিজিৎ দিলীপৰ সৈতে আলোচনাত মিলিত হয়। ইয়াৰ পাছত পৰ্যবেক্ষকগৰাকীয়ে জিলা আয়ুক্ত আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষকগৰাকীৰ সৈতে মনোহাৰী দেৱী কানৈ মহাবিদ্যালয়ৰ ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰে। পৰ্যবেক্ষকগৰাকীয়ে বকুলস্থিত ডিব্ৰুগড় পলিটেকনিক শিক্ষা প্ৰতিষ্ঠানলৈ গৈ নিৰ্বাচনী সামগ্ৰী সংগ্ৰহ তথা বিতৰণ কেন্দ্ৰৰ লগতে ষ্ট্ৰং ৰুম পৰিদৰ্শন কৰে। ষ্ট্ৰং ৰুমৰ নিৰাপত্তা ব্যৱস্থা, বিভিন্ন বিতৰণ কোষসমূহৰ কাৰ্যপ্ৰণালী আৰু নিৰ্বাচন প্ৰক্ৰিয়া সূচাৰুৰূপে সম্পন্ন কৰাৰ লগতে তেওঁ পৰামৰ্শ আগবঢ়ায়।

**মাজুলী**ৰ সংহত জিলা আয়ুক্তৰ কাৰ্যালয় প্ৰেক্ষাগৃহত কালি প্ৰিজাইডিং বিষয়াসকলৰ দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ কাৰ্যসূচী সফলতাৰে সম্পন্ন হয়। জিলা পৰ্যায়ৰ মূল প্ৰশিক্ষকসকলে প্ৰিজাইডিং বিষয়াসকলক নিৰ্বাচন পৰিচালনাৰ প্ৰতিটো কাৰিকৰী দিশৰ প্ৰশিক্ষণ দিয়ে।

শ্ৰীভূমি জিলা প্ৰশাসনে নিৰ্বাচনী প্ৰক্ৰিয়াত স্বচ্ছতা নিশ্চিত কৰাৰ বাবে বিশেষ উদ্যোগ লৈছে। এই অনুসৰি নিৰ্বাচনী অনিয়ম বা আদৰ্শ আচৰণবিধি উলংঘনৰ অভিযোগ দাখিল কৰিবলৈ ফোন নম্বৰ মুকলি কৰা হৈছে। তদুপৰি চি ভিজিল এপ্লিকেচন ব্যৱহাৰ কৰি যিকোনোধৰণৰ অভিযোগ দাখিল কৰিব পাৰিব বুলি জিলা প্ৰশাসনে জনাইছে।

০০০০০০

অসমৰ বিধানসভা সমষ্টিসমূহৰ ভিতৰত অন্যতম গুৰুত্বপূৰ্ণ  সমষ্টি হৈছে শিলচৰ সমষ্টি। অহা ৯ এপ্ৰিলত হ’বলগীয়া বিধানসভা নিৰ্বাচনৰ বাবে এইবাৰ সমষ্টিটোৰ পৰা মুঠ ৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। তেওঁলোক হৈছে– বিজেপিৰ ডাঃ ৰাজদীপ ৰায়, কংগ্ৰেছৰ অভিজিত পাল, এছ ইউ চি আই (চি)ৰ ভৱতোশ চক্ৰৱৰ্তী

আৰু নিৰ্দলীয় প্ৰাৰ্থী – পাপ্লু নাথ, সুব্ৰত কুমাৰ চন্দ, ৰাণু দাস আৰু গৌতম দাস। আটাইকেইগৰাকী প্ৰাৰ্থীৰে মনোনয়ন পত্ৰ ইতিমধ্যে বৈধ হিচাপে বিবেচিত হৈছে। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত বৰ্তমান শিলচৰ বিধানসভা সমষ্টিৰ পৰিসীমা কিছু পৰিৱৰ্তন হৈছে। সমষ্টিটোৰ পৰা পূৰ্বৰ জানিগঞ্জ, মালুগ্ৰাম আৰু ঘনিৱালাৰ লগতে বহুকেইটা অঞ্চল কৰ্তন হোৱাত সমষ্টিটোত মুঠ ভোটদাতাৰ সংখ্যা ২ লাখ ১১ হাজাৰ ৫৩৮ জন হৈছে। শিলচৰ সমষ্টিত এইবাৰ ১৯৮ টা মহিলাৰ দ্বাৰা পৰিচালিত ভোটকেন্দ্ৰ থাকিব।

উল্লেখযোগ্য যে ২০২১ চনৰ ২৭ মাৰ্চত অনুষ্ঠিত অসম বিধানসভাৰ নিৰ্বাচনত শিলচৰ সমষ্টিৰ পৰা মুঠ ১৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। এই নিৰ্বাচনত বিজেপি নেতা দিব্যায়ন চক্ৰৱৰ্তীয়ে ৯৮ হাজাৰ ৫৫৮ টা ভোট লাভ কৰাৰ বিপৰীতে ভাৰতীয় জাতীয় কংগ্ৰেছৰ তামালকান্তি বণিকে ৬০ হাজাৰ ৯৮০ টা ভোট লাভ কৰিছিল। সেইবাৰ শিলচৰত ভোটদানৰ হাৰ আছিল ৭৪ দশমিক ৫-৫ শতাংশ। সমষ্টিটোত এইবাৰো বিজেপি আৰু মূল বিৰোধী দল কংগ্ৰেছৰ লগতে অন্যান্য দলৰ প্ৰাৰ্থীৰ মাজত তুমুল প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা আছে।

শিলচৰৰ পৰা আকাশবাণীৰ সংবাদদাতা আঁখিৰাণী দাসৰ সৈতে মই পৰিস্মিতা দিহিঙীয়া।

০০০০০০

পশ্চিম এছিয়াৰ পৰিৱৰ্তিত পৰিস্থিতিৰ মাজত দেশৰ অৰ্থনৈতিক আৰু বাণিজ্যিক স্থিৰতা বজাই ৰখা, শক্তি সুৰক্ষা সুনিশ্চিত কৰা, নাগৰিকৰ প্ৰয়োজন ৰক্ষা কৰা তথা উদ্যোগ আৰু যোগান শৃংখলা শক্তিশালী কৰি ৰখা বিষয়ত চৰকাৰে বিশেষ অগ্ৰাধিকাৰ দিছে। পশ্চিম এছিয়াৰ সাম্প্ৰতিক যুদ্ধ পৰিস্থিতিৰ ফলত দেশত সম্ভাব্য প্ৰভাৱ তথা ইয়াৰ পৰিপ্ৰেক্ষিতত ৰাজ্যসমূহৰ অনাগত দিনৰ প্ৰস্তুতি আৰু পৰিকল্পনা সন্দৰ্ভত ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ মুখ্যমন্ত্ৰী আৰু উপ-ৰাজ্যপালৰ সৈতে ভাৰ্চুৱেল ব্যৱস্থাৰে হোৱা এখন বৈঠকত কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই কথা উল্লেখ কৰে। বৈঠকত প্ৰধানমন্ত্ৰীয়ে পূৰ্বৰ পৰা পৰিকল্পনা প্ৰস্তুত আৰু সতৰ্কতাৰ লগতে কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত নিৰন্তৰ সহযোগিতা ৰক্ষা কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ টীম ইণ্ডিয়া হিচাপে সহযোগিতাৰে সকলোকে কাম কৰিবলৈ আহ্বান জনায়।

শ্ৰীমোদীয়ে ৰাজ্যসমূহক যোগান শৃংখলা নিয়াৰিকৈ চলি থকাটো সুনিশ্চিত কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে ৰাজ্য আৰু জিলা পৰ্যায়ত নিয়ন্ত্ৰণ কক্ষ সক্ৰিয় কৰি তোলাৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰে। অৱশ্যে নিৰ্বাচন হ'বলগীয়া পাঁচখন ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলে নিৰ্বাচনী অধিসূচনা জাৰি হৈ থকাৰ বাবে প্ৰধানমন্ত্ৰীৰ সৈতে বৈঠকত অংশ লোৱা নাছিল।

০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু যোৰহাট কৃষি বিশ্ববিদ্যালয়ৰ মাজত কালি এখন বুজাবুজিৰ চুক্তি সম্পন্ন হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড০ ভূপেন হাজৰিকা পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ সহযোগত আৰু তত্বাৱধানত যোৰহাট কৃষি বিশ্ববিদ্যালয়ত নতুনকৈ আৰম্ভ কৰা সত্ৰীয়া পাঠ্যক্ৰমৰ বিদ্যায়তনিক কৰ্ম সম্পাদনৰ বাবে এই চুক্তি স্বাক্ষৰিত হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ জিতেন হাজৰিকাৰ উপস্থিতিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড০ পৰমানন্দ সোণোৱাল, ড০ ভূপেন হাজৰিকা পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ হৈ অধ্যক্ষ ড০ পল্লৱী ডেকা বুজৰবৰুৱা আৰু যোৰহাট কৃষি বিশ্ববিদ্যালয়ৰ ডীন ড০ প্ৰশান্ত কুমাৰ ফুকনে এই চুক্তিত স্বাক্ষৰ কৰে। শৈক্ষিক বিনিময়ৰ এই চুক্তিয়ে দুয়োখন বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীকে উপকৃত কৰিব বুলি আশা কৰা হৈছে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে প্ৰচাৰ কৰি থকা **অসম বিধানসভা নিৰ্বাচন-২০২৬** শীৰ্ষক দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলৰ সৈতে হোৱা এটা সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানৰ আঁত ধৰিব পৰিস্মীতা দিহিঙীয়াই।

০০০০০০

আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ ৰাজনৈতিক দল আৰু প্ৰাৰ্থীসমূহৰ মাজত ব্যাপক নিৰ্বাচনী তৎপৰতা, পেট্ৰ'ল-ডিজেলৰ আবকাৰী শুল্ক হ্ৰাস, নিৰ্বাচনী প্ৰচাৰৰ বাবে গুৱাহাটীত আজি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ ৰণডংকা আদি ভিন্ন বাতৰিয়ে গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান পাইছে।

মধ্যপ্ৰাচ্যৰ যুদ্ধৰ পৰিপ্ৰেক্ষিতত সৃষ্টি হোৱা ইন্ধন সংকটৰে মোকাবিলা কৰিবলৈ সাজু হৈছে দেশ এই বাতৰিটো **দৈনিক অসম** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

যুদ্ধ পৰিস্থিতিক লৈ দেশৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে প্ৰধানমন্ত্ৰীৰ আঢ়ৈ ঘণ্টাজোৰা ভাৰ্চুৱেল বৈঠক সন্দৰ্ভত এটা বাতৰি **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ইন্ধনৰ দাম যাতে একে থাকে সেই উদ্দেশ্যে কেন্দ্ৰই কেন্দ্ৰীয় আবকাৰী শুল্ক পেট্ৰ'লৰ প্ৰতিলিটাৰত ৩ টকাকৈ হ্ৰাস কৰাৰ বিপৰীতে ডিজেলৰ আবকাৰী শুল্ক শূন্যলৈ নমাই অনাৰ বাতৰিটো **অসমীয়া প্ৰতিদিন, নিয়মীয়া বাৰ্তা, দৈনিক অগ্ৰদূত**কে ধৰি প্ৰায় আটাইকেইখন কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

**আজি গুৱাহাটীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত মেগা ৰোডশ্ব'** এই শিৰোনামৰ এটা বাতৰি **অসমীয়া খবৰ** কাকতৰ। একেটা বাতৰিকে **আমাৰ অসম** কাকতেও প্ৰচাৰ বাবে আজি অসমত **অমিত শ্বাহ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

**উৰা বাতৰি নেওচি দেশত লকডাউনৰ সম্ভাৱনা নাই বুলি সম্পূৰ্ণ অভয়বাণী বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ** এই বাতৰিটো **দি আছাম ট্ৰিবিউন** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

২০২১ চনৰ তুলনাত ২০২৬ৰ নিৰ্বাচনী যুঁজত সবাতোকৈ কম প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতাত নামিছে। এই বাতৰিটো **দা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ১৯ সংখ্যক সংস্কৰণ আজি সন্ধিয়া বেংগালুৰুত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ উদ্বোধনী খেলত আজি চেন্নাইৰ এম চিন্নাস্বামী ষ্টেডিয়ামত যোৱাবাৰৰ বিজয়ী ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। দুমাহজোৰা এই প্ৰতিযোগিতাখন অহা ৩১ মে'ত সমাপ্ত হ'ব।

ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে দলৰ নতুন অধিনায়ক ৰজত পাটিদাৰৰ নেতৃত্বত অভিযান আৰম্ভ কৰিব। ইপিনে অষ্ট্ৰেলিয়াৰ পেচাৰ পেট কামিন্স আঘাতৰ বাবে খেলৰ পৰা আঁতৰি থকাত ছানৰাইজাৰ্ছ হায়দৰাবাদক ঈষাণ কিষাণে নেতৃত্ব দিব।

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ- বিচিচিআইয়ে পূৰ্বৰ দৰে এইবাৰ আই পি এলৰ উদ্বোধনী অনুষ্ঠান আয়োজন নকৰাৰ সিদ্ধান্ত লৈছে। বিগত বৰ্ষৰ জুনত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিজয় উদযাপনত ষ্টেডিয়ামৰ বাহিৰত হোৱা হেঁচা-ঠেলাত ১১ জন ক্ৰিকেটপ্ৰেমীৰ মৃত্যুৰ প্ৰতি সন্মান জনাই বিচিচিআইয়ে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। নিহত ক্ৰিকেটপ্ৰেমী কেইগৰাকীৰ সোঁৱৰণত এইবাৰৰ প্ৰতিযোগিতাত ষ্টেডিয়ামত স্থায়ীভাৱে ১১ খন আসন খালী ৰখা হ'ব বুলি বিচিচিআইয়ে ঘোষণা কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া আৰু বিজুলী-ঢেৰেকনিৰে বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৯ ডিগ্ৰী

ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৯ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে বিজুলি-ঢেৰেকনিৰে বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

**সমাপ্ত**